**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
——————————————

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বছৰজোৰা বিশেষ স্মৃতিচাৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ৰাজহুৱা স্থানত বন্দে মাতৰমৰ পূৰ্ণ সংস্কৰণ গোৱা হ'ব আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকে ইয়াত অংশগ্ৰহণ কৰিব।

অসমতো সকলো জিলা আৰু সম-জিলাত দেশ মাতৃৰ প্ৰতি সমৰ্পিত দেশভক্তি আৰু আধ্যাত্মিকতাৰ ভাবেৰে পূৰ্ণ বন্দে মাতৰমৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে গীতটি সমূহীয়াকৈ পৰিৱেশন কৰা হ'ব। দিছপুৰৰ জনতাভৱন চৌহদত এই উপলক্ষে আয়োজিত ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

উল্লেখযোগ্য যে, বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে ১৮৭৫ চনৰ সাত নৱেম্বৰত বন্দে মাতৰম ৰচনা কৰিছিল। প্ৰথমবাৰ বংগদৰ্শন নামৰ সাহিত্যিক পত্ৰিকাত তেওঁৰ উপন্যাস আনন্দমঠৰ অংশ হিচাপে এই গীতটি প্ৰকাশ পাইছিল।

০০০০০০

দুদিনীয়া অসম ভ্ৰমণসূচীৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আজি গুৱাহাটীত উপস্থিত হ'ব। সন্ধিয়া তেওঁ উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৰে অৰ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি উদ্বোধন কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকিব। ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্ট প্ৰকল্পটো ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে। সকলো বতৰতে কাৰ্যক্ষম হৈ থাকিব পৰা প্ৰকল্পটোত ছহেজাৰ ৮০০ বৰ্গ মিটাৰ এলেকাজুৰি ফেৰী টাৰ্মিনেলৰ ব্যৱস্থা আছে। ডলফিনৰ আৰ্হিত নিৰ্মিত টাৰ্মিনেল আৰু ঘাটটোত ১০০ জনকৈ যাত্ৰী কঢ়িওৱা ৪ খন কাটামাৰাণ জাহাজ ৰখাব পৰাকৈ ১২০ মিটাৰ দৈৰ্ঘ্যৰ পণ্টুন আছে। যাত্ৰীসকলৰ সুবিধাৰ্থে বিশ্বমানৰ টাৰ্মিনেল ভৱনটোত ই-টিকেটিঙৰ ব্যৱস্থা থাকিব। এই প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ পাৰত সতী ৰাধিকা শান্তি উদ্যান প্ৰকল্পটো ৩২৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে। নতুন আয়ুক্ত ভৱনৰ পৰা কাছাৰী ঘাটলৈ ১ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই উদ্যানখন নিৰ্মাণ কৰা হৈছে। উদ্যানখনত খোজকঢ়াৰ বাবে বিশেষ পথ, চাইকেল ট্ৰেক আৰু বহাৰ বাবে বিশেষ ব্যৱস্থা সংলগ্ন কৰা হৈছে। শিশুসকলে খেল-ধেমালি কৰাৰ বাবে উদ্যানখনত বিশেষ ব্যৱস্থা থকাৰ উপৰি মুকলিভাৱে শৰীৰ চৰ্চা কৰাৰো ব্যৱস্থা ৰখা হৈছে। উদ্যানখনত চাৰিটা ব্যৱসায়িক ভৱন আৰু অসম বিষয়বস্তু সম্বলিত ৭ খনকৈ প্ৰৱেশদ্বাৰ ৰখা হৈছে। উদ্যানখনত নদীৰ পাৰ খহনীয়া প্ৰতিৰোধৰ বাবেও বিশেষ ব্যৱস্থা কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলীও পৰিদৰ্শন কৰিব। প্ৰকল্পস্থলীত আয়োজিত এটা অনুষ্ঠানত বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰায় ৩০০ গৰাকী যুৱক-যুৱতীৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমতী সীতাৰমণৰ আগমনৰ পূৰ্বে কালি মন্ত্ৰী পীযুষ হাজৰিকা আৰু বিমল বৰাই প্ৰকল্পস্থলী পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। তেওঁলোকে লগতে ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ মুখ্য কাৰ্যবাহী অভিযন্তাৰ সৈতে বিদ্যুৎ, পানীযোগান, নিৰাপত্তা

আদি বিভিন্ন বিষয়ত আলোচনা কৰে। অহা বছৰৰ ফেব্ৰুৱাৰীত এই প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। প্ৰকল্পটোৱে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

নৱেম্বৰ আৰু ডিচেম্বৰৰ ভিতৰত ৰাজ্য চৰকাৰৰ সকলো বিভাগৰে নিযুক্তি প্ৰক্ৰিয়া সমাপ্ত কৰা হ'ব। বিশেষকৈ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে উত্তীৰ্ণ প্ৰাৰ্থীসকলক পৰহিলৈ নিযুক্তিপত্ৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে নৱেম্বৰ মাহতে কনিষ্ঠবল পদসমূহতো নিযুক্তি দিয়া হ'ব বুলিও জানিবলৈ দিয়ে। এই নিযুক্তিপত্ৰ বিতৰণৰ পিছদিনাই নতুনকৈ চাৰি হাজাৰ আৰক্ষীৰ পদত নিযুক্তিৰ বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। একেদৰে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলক নৱেম্বৰৰ শেষত বা ডিচেম্বৰৰ প্ৰথমভাগত নিযুক্তি দিয়া হ'ব। স্বাস্থ্য বিভাগৰ নিযুক্তিও এই মাহতে হ'ব বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে চাহ বাগিচাৰ যুৱক-যুৱতীসকলক পাছত একেলগে নিযুক্তি পত্ৰ দিয়া হ'ব।

ইপিনে লণ্ডনৰ মিউজিয়ামত সংৰক্ষণ হৈ থকা বৃন্দাবনী বস্ত্ৰ  অসমলৈ অনাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁ এই বিষয়ত আলোচনাৰ বাবে অহা ১৫ নৱেম্বৰত লণ্ডনলৈ যাব। লণ্ডন মিউজিয়াম কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত এখন চুক্তি স্বাক্ষৰ হোৱাৰ পাছত ছমাহৰ বাবে এই বস্ত্ৰখন অসমলৈ অনা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

উচ্ছেদৰ প্ৰসংগ উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে ৰাজ্যত অবৈধভাৱে দখলিকৃত ভূমিত উচ্ছেদ অভিযান চলি থাকিব। অহা ৯ আৰু ১০ নৱেম্বৰত গোৱালপাৰা জিলাৰ দহিকঁটা বনাঞ্চলত উচ্ছেদ চলোৱা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে ডিব্ৰুগড় জিলাতো ছ'ৱাইন ফিভাৰৰ প্ৰকোপ দেখা গৈছে। জিলাখনৰ ১১টা স্থানক এই ৰোগৰ কেন্দ্ৰ হিচাপে চিনাক্ত কৰা হৈছে। জিলাখনৰ কেইবাশ গাহৰি এই ৰোগত আক্ৰান্ত হোৱাত কৰ্তৃপক্ষই এই পশুধনসমূহ নিধন কৰাৰ লগতে আক্ৰান্ত অঞ্চলত গাহৰি আৰু গাহৰিৰ মাংস বিক্ৰী নিষিদ্ধ কৰিছে। চৰকাৰী প্ৰতিবেদন অনুসৰি এইৰোগত আক্ৰান্ত ৩২০টা গাহৰি নিধন কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দলে এই ৰোগত প্ৰভাৱান্বিত অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ লগতে তদন্ত কৰিব বুলি জানিব পৰা গৈছে।

০০০০০০

সমাপ্ত